## ভূ-দান প্ৰক্ৰিয়াৰ সৈতে আৰ্থ-সামাজিক স্থিতি, পৰিৱৰ্তিত উৎপাদনৰ সম্পৰ্ক।

প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। ভাৰতৰ অৰ্থনীতি প্ৰাচ্যৰ কৃষিপ্ৰধান অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰাচীন কালৰে পৰা ভূমিৰ গৰাকী আছিল শাসক শ্ৰেণী। সাধাৰণ প্ৰজাই কৃষিৰ অধিকাৰ লাভ কৰিছিল যদিও ভূমিৰ মালিকীস্বত্ব আছিল ৰজাৰ হাতত।

ভূমি দানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল গুপ্তযুগত। ইয়াৰ ফলত সামন্ত শ্ৰেণীৰ উত্থান ঘটে। বুধগুপ্তৰ পাহাৰপুৰ তাম্ৰলিপিৰ পৰা কৃষিৰ ওপৰত ৰাজ-পৃষ্ঠপোষকতাৰ লগতে ভূমি অধিকাৰৰ সম্বন্ধে যথেষ্ট তথ্য পোৱা যায়। গুপ্তযুগত ভূমিক উৰ্বৰতাৰ ওপৰত ভিত্তি কৰি ৫ ভাগত ভাগ কৰা হৈছিল - (১) ক্ষেত্ৰ (২) খিলো (৩) অপ্ৰহত (৪) বাস্তুমাটি আৰু (৫) চাৰণ ভূমি। ভূ-দানৰ যোগেদি প্ৰদান কৰা ভূমিক ৪ ভাগত ভগোৱা হৈছিল - (১) নিৱি ধৰ্ম - এই ভূমিসমূহ চিৰস্থায়ীভাৱে দান কৰা হৈছিল আৰু এইবোৰ এটা ন্যাসৰ দ্বাৰা পৰিচালিত হৈছিল। উত্তৰ আৰু মধ্য ভাৰতত এই শ্ৰেণীৰ ভূমি যথেষ্ট দান কৰা হৈছিল (২) নিৱি ধৰ্ম অক্ষয়ণ - এই শ্ৰেণীৰ ভূমি চিৰস্থায়ী ভাৱে দান কৰা হৈছিল যদিও এইবোৰ হস্তান্তৰ কৰাৰ অধিকাৰ কৰাৰ অধিকাৰ নাছিল (৩) অপ্ৰদা ধৰ্ম - এই শ্ৰেণীৰ ভূমিও হস্তান্তৰ যোগ্য নাছিল। কেৱল দানগ্ৰহীতাৰ ইয়াৰ উৎপাদিত শস্যৰ ওপৰতহে অধিকাৰ আছিল (৪) ভূমি ছিদ্ৰ ন্যায় - এই ভূমি পূৰ্বতে কৃষিত ব্যৱহৃত নোহোৱা ভূমি। কৃষিৰ বাবে উপযোগী কৰি দান কৰা এই শ্ৰেণীৰ ভূমিত দান লোৱাজনক কেৱল উৎপাদিত শস্যৰ ওপৰতহে অধিকাৰ দিয়া হয়।

ভূ-দান প্ৰক্ৰিয়া গুপ্ত যুগত আৰম্ভ হোৱাৰ বাবে আমি বিভিন্ন তথ্যৰ এই সময়ৰ আৰ্থ-সামাজিক স্থিতিৰ বিষয়ে জানিব পাৰো। এই সময়ৰ আৰ্থ-সামাজিক উন্নয়নৰ গতি ভূ-দান কাৰ্যই ত্বৰান্বিত কৰি তুলিছিল। তদুপৰি এই প্ৰক্ৰিয়াই কৃষিৰ সম্প্ৰসাৰণ, ভূমিৰ মালিকীস্বত্ব, উৎপাদন ক্ষমতা, অৰ্থনীতি, স্বনিৰ্ভৰশীলতা আদিৰে বিভিন্ন তথ্য যোগান ধৰে। সামাজিক অৱস্থা, কৃষক সমাজ আদিৰ বিষয়েও বিভিন্ন তথ্য পাব পাৰি। গুপ্তযুগত ধৰ্মীয় আৰু ধৰ্ম নিৰপেক্ষ ভাৱে ভূ-দানৰ ব্যৱস্থা আছিল। অগ্ৰহাৰ ভূমি - যিবোৰ ব্ৰাহ্মণসকলক চিৰস্থায়ী ভাৱে কৰ মুক্ত কৰি দিয়া হৈছিল। সমুদ্ৰগুপ্তৰ গয়া আৰু নালন্দা লিপিৰ এই শ্ৰেণীৰ ভূমিৰ তথ্য পোৱা যায়। ভূমিৰ লগতে বাসিন্দা সকলোকো দান কৰা হৈছিল।

Scanned with CamScanner

(২) দেৱ-অগ্ৰহাৰ — ইহলোক আৰু পৰলোকত পুণ্যপ্ৰাপ্তিৰ উদ্দেশ্যে দেৱতাৰ বা দেৱালয়ৰ এই ভূমি-দান কৰা হৈছিল। ধৰ্ম নিৰপেক্ষ ভূমি-দানৰ উদ্দেশ্য আছিল প্ৰাদেশিক শাসকসকলৰ প্ৰশাসনিক সুবিধা সুদৃঢ় কৰা। পাৰিতোষিকৰ পৰিৱৰ্তে ভূ-দানৰ ব্যৱস্থা কৰা হৈছিল।

ভূ-দান প্ৰক্ৰিয়াৰ যোগেদি পুৰোহিত শ্ৰেণী আৰু ধৰ্মানুষ্ঠান সমূহ বিশেষ লাভবান হৈছিল। খ্ৰীঃ ৭ম-৮ম শতিকাত সামৰিক, অসামৰিক আৰু প্ৰশাসনীয় বিষয়াসকলক ভূমি আৰু গাঁও গোটা টিভাৰ লগতে ৰাজহ সংগ্ৰহৰ অধিকাৰ প্ৰদান কৰা হয়। ধৰ্ম আৰু প্ৰশাসনিক সুবিধাৰ্থে কৰা ভূ-দানে এক নতুন ভূ-মালিক শ্ৰেণীৰ সৃষ্টি কৰে সমাজত। এই ভূ-স্বামীসকলে ভূমিৰ সমস্ত ৰাজহ, শ্ৰমিকৰ শ্ৰম আৰু কাৰিকৰসকলৰ উৎপাদনবোৰ অধিকাৰ কৰাৰ লগতে প্ৰশাসনিক ক্ষেত্ৰতো গঢ়ি তোলে আৰু নিজেই প্ৰশাসক হৈ উঠে। ন্যায়িক ক্ষমতাও লাভ কৰাত উক্ত সাম্ৰাজ্যৰ কেন্দ্ৰীভূত প্ৰশাসন ব্যৱস্থাত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। অৰ্থনৈতিক ভাৱে আৰম্ভ হোৱা পতনে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে ৰজাৰ ভূমিকাও গৌণ হবলৈ ধৰে।

গুপ্ত যুগত আৰম্ভ হোৱা সামন্তবাদে অৰ্থনীতি বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। পূৰ্বতে মুক্ত জীৱন-যাপন কৃষকসকল শোষণৰ বলি হবলৈ ধৰে। অৰ্থনীতি সীমাবদ্ধ হৈ পৰাত বাণিজ্য ব্যৱস্থাৰ অৱনতি, নগৰীকৰণত স্থবিৰতা, সামাজিক স্থবিৰতা আদিৰে পৰা জাতিভেদ প্ৰথাৰ ওপৰতো প্ৰভাৱ পৰে।

ভূ-দানৰ যোগেদি আৰম্ভ হোৱা সামন্তবাদী ব্যৱস্থাই উৎপাদন ব্যৱস্থাতো প্ৰভাৱ পেলাইছিল। উৎপাদনৰ লগত জড়িত কৃষকসকল ভূ-দান ব্যৱস্থাৰ ফলত বিভিন্ন সমস্যাৰ সন্মুখীন হৈছিল। বিভিন্ন শিলালিপি, ফা-হিয়েনৰ লেখা আদিৰ পৰা পোৱা তথ্যমতে, ভূ-দানৰ লগতে কৃষকসকলো হস্তান্তৰিত হৈছিল। ইয়াৰ ফলত নতুন কৃষকৰ আগমন এই ভূমি সমূহত ঘটা নাছিল আৰু এই ব্যৱস্থাই অস্থায়ী শ্ৰমিক শ্ৰেণীৰ সৃষ্টি কৰিছিল। খ্ৰীঃ ১ম শতিকাত আৰম্ভ হোৱা এই প্ৰথা ২য় শতিকাত বন্ধ কৰা হয়। ভূ-স্বামীসকলৰ অৰ্থনৈতিক আৰু সামাজিক শোষণে কৃষকসকলক অধিক দুৰ্দশাগ্ৰস্ত কৰিছিল। কৃষকে বিভিন্ন অধিকাৰ হেৰুৱাৰ লগতে অধিক নতুন কৰৰ বোজা বহন কৰিবলগীয়া হৈছিল। তদুপৰি এক শ্ৰেণী জোৰ-জবৰদস্তী শ্ৰমিক (Forced labour) শ্ৰেণীৰ আৱিৰ্ভাৱ ঘটিছিল। ব্ৰাহ্মণ শ্ৰেণীক বাদ দি বাকী সকলো শ্ৰেণীয়ে ইয়াৰ বলি হৈছিল। বাৎস্যায়নৰ "কামসূত্ৰ" তথ্য মতে, কৃষক পত্নীসকলে ভূ-স্বামীৰ ভঁৰালত শস্য ভৰোৱাৰ পৰা আৰম্ভ কৰি বিভিন্ন ঘৰুৱা কাম, কপাহ, শন, কাঠ সংগ্ৰহ

সংগ্ৰহ কৰা, সূতা কটা, বস্ত্ৰ বোৱা-কিনা কৰাত নিয়োজিত হবলৈ কাৰ্য কৰা হয়। সমকালীন ৰজাসকলৰ শিলালিপিৰ তথ্য মতে, ৰাজকীয় সামৰিক বাহিনী পাৰ হৈ যোৱা অঞ্চলসমূহত তাৰ বাসিন্দাসকলে সকলোৰকমে তেওঁলোকক আলোপোচান ধৰাৰ লগতে খাদ্য-সামগ্ৰী আৰু যোগাযোগৰ বাবে পশু যোগান ধৰাটো বাধ্যতামূলক আছিল। কৃষকসকলে গুপ্ত যুগত ৰাজকীয় কৰৰ লগতে সামন্ত প্ৰভুসকলকো কৰ দিবলৈ বাধ্য হৈছিল।

ভূ-দান ব্যৱস্থাই বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছিল যদিও কিছুক্ষেত্ৰত ইয়াৰ সুফলো দেখা যায়। ভূমি ছিদ্ৰ ন্যায় ব্যৱস্থাৰ যোগেদি নতুনকৈ কৃষিভূমি মুকলি কৰা হৈছিল। ভূ-স্বামীসকলে উন্নত কৃষি প্ৰণালী, কৌশল ব্যৱহাৰ কৰি উৎপাদন ক্ষমতা বৃদ্ধি কৰিছিল আৰু কৃষিৰ সম্প্ৰসাৰণো ঘটিছিল। কৃষিক্ষেত্ৰ সম্প্ৰসাৰণৰ ফলত নতুন নগৰ নিৰ্মাণ আৰম্ভ হৈছিল আৰু ব্যৱসায় বাণিজ্যৰো সম্প্ৰসাৰণ ঘটিছিল। এইবোৰৰ যোগেদি ৰাষ্ট্ৰীয় অৰ্থনীতি অধিক সবল হৈছিল।